নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ফজৰৰ নামাজ আদায় কৰাৰ পিছত সুস্পষ্টৰূপে সূৰ্য্য উদয় নোহোৱালৈকে মুচাল্লাৰ ওপৰতে বহি থাকিছিল।

জাবিৰ বিন ছামুৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ফজৰৰ নামাজ আদায় কৰাৰ পিছত সুস্পষ্টৰূপে সূৰ্য্য উদয় নোহোৱালৈকে মুচাল্লাৰ ওপৰতে বহি থাকিছিল। জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৱে আৰু কৈছে যে, তেখেতে যি ঠাইত ফজৰৰ নামাজ অথবা প্ৰভাতৰ নামাজ আদায় কৰিছিল সেই ঠাইৰ পৰা তেতিয়ালৈকে উঠা নাছিল যেতিয়ালৈকে সূৰ্য্য সম্পূৰ্ণৰূপে উদয় হোৱা নাছিল। যেতিয়া সূৰ্য্য উদয় হৈছিল
তেতিয়া তেখেতে তাৰ পৰা উঠিছিল। সেই সময়ছোৱাত অন্যান্য লোকসকলে অজ্ঞতা যুগত
বিভিন্ন ঘটনাৱলী সম্পৰ্কে আলোচনা কৰিছিল। এইবোৰ আলোচনা কৰাৰ সময়ত তেওঁলোকে
মাজে মাজে হাঁহিছিল, তেতিয়া তেখেতেও মিচিকিয়া হাঁহিছিল। [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ অন্যতম এটা ছুন্নত হৈছে এই যে, তেখেতে ফজৰৰ নামাজ আদায় কৰাৰ পিছত সূৰ্য্য উদয় নোহোৱালৈকে সেই ঠাইতে বহি থাকিছিল। য'ত তেখেতে নামাজ পঢ়িছিল, সেই ঠাইতে বহি থাকিছিল সূৰ্যোদয় নোহোৱালৈকে। সূৰ্য্য উদয় হোৱাৰ পিছত তেখেত উঠি গুচি গৈছিল। এই সময়ছোৱাত চাহাবাসকলে প্ৰাক-ইছলামী যুগৰ কিছুমান ঘটনা আলোচনা কৰিছিল, আৰু তেখেতে মনে মনে সেইবোৰ শুনিছিল। তেওঁলোকে মাজে মাজে হাঁহিছিল, তেখেতেও মাজে মাজে মিচিকিয়া হাঁহিছিল।

http://www.sunnah.global/hadeeth/as/show/65411